**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। রাষ্ট্রপতি শ্রীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি দিল্লীত পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছত সামৰিক প্ৰস্তুতিৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ ওপৰত আলোচনা কৰাৰ উদ্দেশ্যে চীফ অফ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানৰ সৈতে এখন বৈঠকত মিলিত হয়।

৩। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই মন্ত্ৰীসভাৰ অনুৰোধমৰ্মে আজি বিধানসভাৰ বিশেষ সত্ৰ অনুষ্ঠিত কৰিব।

৪। পাকিস্তানত সুৰক্ষা বাহিনীৰ লোকে নিষিদ্ধ ঘোষিত তেহৰিক-ই-তালিবান পাকিস্তানৰ ৫৪ জন সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালিৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৬ উইকেটত পৰাজিত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰিব। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়- পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী। শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। এই বছৰ গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত চৰকাৰে ১৩৯টা পদ্ম বঁটা ঘোষণা কৰিছিল। য'ত ৭টা পদ্ম বিভূষণ, ১৯টা পদ্মভূষণ আৰু ১১৩ পদ্মশ্ৰী বঁটা আছে। পদ্ম বিভূষণ বঁটা লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ'এণ্ট্ৰ'লজিষ্ট ডা০ নাগেশ্বৰ ৰেড্ডী আছে। পদ্মভূষণ বঁটা লাভ কৰা বশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ অজিত কুমাৰ, ভাৰত নাট্যম নৃত্যশিল্পী শ্ব'বনা চন্দ্ৰকুমাৰ আৰু ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ শ্ৰীজেছ আছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি দিল্লীৰ তেওঁৰ বাসগৃত পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছত সামৰিক প্ৰস্তুতিৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ ওপৰত আলোচনা কৰাৰ উদ্দেশ্যে চীফ অফ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানৰ সৈতে এখন বৈঠকত মিলিত হয়। প্ৰায় ৪০ মিনিটজোৰা চলা এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীক শ্ৰীচৌহানে সেনাৰ ৰণনীতি আৰু প্ৰস্তুতিৰ বিষয়ে অৱগত কৰে। সীমান্ত সুৰক্ষা বাহিনী বিষয়াসকলেও কালি এই বৈঠকত উপস্থিত থাকি প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন দিশসমূহৰ

বিষয়ে আলোচনা কৰে। সীমান্ত সুৰক্ষা বাহিনীৰ সঞ্চালকপ্ৰধান দলজিৎ সিং চৌধাৰীও কালি গৃহমন্ত্ৰালয়লৈ যায়। ইফালে ভাৰতীয় নৌসেনা বাহিনীয়ে কালি সফলতাৰে জাহাজ-প্ৰতিৰোধী ক্ষেপনাস্ত্ৰৰ অনুশীলনো সম্পন্ন কৰি দেশৰ সামুদ্ৰিক সুৰক্ষাৰ ক্ষেত্ৰত ই সম্পূৰ্ণৰূপে সাজু বুলি কয়। নৌসেনাই চলোৱা এই জাহাজ প্ৰতিৰোধী অনুশীলনে দীৰ্ঘ দূৰত্বৰ আক্ৰমণ চলোৱাৰ বাবে প্ৰস্তুতি চলাই আছে।

ooooo

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই কেবিনেটৰ অনুৰোধমৰ্মে আজি বিধানসভাৰ বিশেষ সত্ৰ অনুষ্ঠিত কৰিব। মন্ত্ৰীসভাই পেহেলগাম সন্ত্ৰাসবাদ আক্ৰমণৰ ঘটনাৰ আলোচনা কৰাৰ উদ্দেশ্যে এই বিশেষ সত্ৰ অনুষ্ঠিত কৰিবলৈ অনুৰোধ কৰিছিল। বিধানসভাত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতসকললৈ শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। ইয়াৰ পাছতে সন্ত্ৰাসবাদী আক্ৰমণৰ বিভিন্ন আনুষংগিক বিষয়সমূহ ওপৰত আলোচনা কৰা হ'ব আৰু এই ঘটনাক তীব্ৰ গৰিহণা দি প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব।

যোৱা ২৩ এপ্ৰিলত জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুলাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত মন্ত্ৰীসভাই পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত আজি বিশেষ অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে পৰামৰ্শ দিছিল। আজি পুৱা চাৰে ১০ বজাত এই বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। ৰাজনৈতিক দলসমূহে এই সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য প্ৰদেশত সংঘটিত পথ দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ ২ লাখ টকাকৈ আৰু আহত সকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে মধ্য প্ৰদেশৰ মান্দছ'ৰত সংঘটিত পথ দুৰ্ঘটনাত নিহতসকলৰ আত্মীয়লৈ গভীৰ সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰে। তেওঁ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ তৰফৰ পৰা দুৰ্ঘটনাত নিহতসকললৈ ২ লাখ টকাকৈ আৰু আহত সকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য দিয়া হ'ব বুলি কয়। মধ্যপ্ৰদেশৰ মান্দছ'ৰ জিলাৰ বুদ্ধ-তাকাৰৱাট ক্ৰ'ছিঙত কালি তীৰ্থযাত্ৰী কঢ়িওৱা এখন বাহন এটা খোলা নাদত পৰি যোৱাৰ ফলত কমেও ১১ জন লোকৰ মৃত্যু হয়। দুটি শিশুসহ আন ৪ জন লোক দুৰ্ঘটনাটোত আহত হয়।

ooooo

দেশৰ লোকসকল সুস্থ হ'লেহে অহা ২৫ বছৰত ভাৰতে ৩০ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতি হোৱাৰ লক্ষ্যৰ পূৰণত সফল হ'ব বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে মন্তব্য কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত বিশ্ব স্বাস্থ্য সন্মিলনত ভাষণ দি শ্ৰীগোৱেলে কয় যে চৰকাৰৰ সকলোবোৰ উদ্যম আৰু আঁচনি দেশৰ জনসাধাৰণৰ স্বাস্থ্য তথা সামগ্ৰিক বিকাশৰ লক্ষ্যৰে ৰূপায়ণ কৰা হৈছে। তেওঁ কয়, যে ব্যয়সাধ্য বাসগৃহ, বিশুদ্ধ খোৱাপানী, ৰন্ধন গেছৰ সংযোগ, উন্নত শিক্ষাৰ সুবিধাৰ জৰিয়তে সকলো ভাৰতীয়ৰ জীৱন-ধাৰণৰ মান উন্নত কৰিছে। চৰকাৰৰ আদৰ্শ জনসাধাৰণৰ সামগ্ৰিক বিকাশ অথবা মানৱতাবোধৰ ওপৰতেই আধাৰিত বুলি শ্ৰীগোৱেলে কয়। স্বাস্থ্য যতন খণ্ডত গোলকীয় সহযোগিতা সন্দৰ্ভত মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বিগত কিছু বছৰৰ পৰা বিশ্বৰ যিকোনো ৰাষ্ট্ৰই সন্মুখীন হোৱা যিকোনো ধৰণৰ দুৰ্যোগ অথবা স্বাস্থ্য বিষয়ক সমস্যাৰ ক্ষেত্ৰত ভাৰত তাৎক্ষণিকভাৱে সঁহাৰি জনোৱা প্ৰথমখন দেশ হিচাপে বিবেচিত হৈ আহিছে।

ooooo

পাকিস্তানত সুৰক্ষা বাহিনীৰ লোকে নিষিদ্ধ ঘোষিত তেহৰিক-ই-তালিবান পাকিস্তানৰ ৫৪ জন সন্ত্ৰাসবাদীক গুলীয়াই হত্যা কৰে। সেনা বাহিনীৰ তথ্য অনুসৰি এই সন্ত্ৰাসবাদী কেইজন পাকিস্তান-আফগানিস্তান সীমান্তৰে উত্তৰ-পশ্চিম পাকিস্তানৰ খেইবৰ পাখতুনখাৱাত আক্ৰমণ চলোৱাৰ চেষ্টা কৰিছিল। আন্তঃসেৱা জনসংযোগৰ বিবৃতি অনুসৰি যোৱা ২৫ৰ পৰা ২৭ এপ্ৰিলৰ মাজনিশা উত্তৰ ৱাজিৰিস্তান জিলাৰ হাছানখেলত নিৰাপত্তাবাহিনীয়ে এটা বৃহৎ সন্ত্ৰাসবাদী গোটৰ গতিবিধি ধৰা পেলায়। সেনা বাহিনীয়ে নিহত সন্ত্ৰাসবাদী কেইজনৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদ আৰু বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে।

ooooo

জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুলাই কৈছে যে সন্ত্ৰাসবাদ বিৰোধী আৰু ইয়াৰ ভেঁটি উৎখাত কৰাৰ বাবে গ্ৰহণ সকলো ধৰণৰ পদক্ষেপৰ প্ৰতি তেওঁৰ সম্পূৰ্ণ সহযোগিতা আছে। তেওঁ অৱশ্যে এই আক্ৰমণৰ ঘটনাৰ পাছত নিৰীহ লোকৰ হত্যাৰ বিৰুদ্ধে মাত মতা লোকসকলকলৈও চিন্তা ব্যক্ত কৰিছে। এই ঘটনাৰ পাছত কাশ্মীৰত সন্ত্ৰাসবাদী সকলৰ ৯টা ঘৰ ধবংস কৰা আৰু বহুতো লোকক সোধা-পোছাৰ কৰি থকাৰ লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলি থকা ব্যাপক অভিযানৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত ওমৰ আব্দুলাই কয়, যে পেহেলগাম আক্ৰমণৰ ঘটনাৰ পাছত সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণয়ায়ক যুঁজ হোৱা উচিত। কাশ্মীৰৰ লোকসকল বৰ্তমান সন্ত্ৰাসবাদৰ বিৰুদ্ধে একগোট হৈ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৬ উইকেটত পৰাজিত কৰে। দেলহী কেপিটেলছে বান্ধি দিয়া ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৮ অভাৰ আৰু ৩টা বলতেই ৪ উইকেটৰ বিনিময়ত ১৬৫ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ৰুণাল পাণ্ডিয়াই ৪৭টা বলত সৰ্বাধিক ৭৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। বিৰাট কোহলীয়ে ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। দেলহী কেপিটেলছৰ হৈ অক্ষৰ পেটেলে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬২ ৰাণ কৰে। দেলহীৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৪১ ৰান কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট দখল কৰে। ক্ৰুণাল পাণ্ডিয়াক প্লেয়াৰ অৱ মেচ ঘোষণা কৰা হয়।

কালিৰ আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়ণ্টছক ৫৪ ৰানত পৰাস্ত কৰে। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ২১৬ ৰানৰ লক্ষ্যৰে খেলিবলৈ লোৱা লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৬১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছেৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

এছিয়া যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত ভাৰতে ৮৩টা সোণৰ পদকেৰে বিশেষ সফলতা প্ৰদৰ্শন কৰি পদক তালিকাত শীৰ্ষস্থান দখল কৰিছে। কালি দিল্লীত অনুষ্ঠিত প্ৰতিযোগিতাখনত ভাৰতে তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে মুঠ ৮৭টা পদক লাভ কৰে। প্ৰতিযোগিতাখনত জাপানে ৩টা সোণ, ৩টা ৰূপ আৰু

৪টা ব্ৰঞ্জৰ পদক লাভ কৰি পদক তালিকাত দ্বিতীয় স্থান লাভ কৰিছে। ইয়াৰ পাছতে মংগোলীয়া, ওমান আৰু নেপালে তৃতীয়, চতুৰ্থ আৰু পঞ্চমস্থান লাভ কৰে। উজবেকিস্তান, শ্ৰীলংকা, থাইলেণ্ড, কাজাখাস্তান আৰু ভূটানৰ প্ৰতিযোগীসকলেও উল্লেখনীয় প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনত ২১ খনতকৈও অধিক দেশে অংশগ্ৰহণ কৰিছিল।

ooooo

সমাপ্ত